# Telephone Conversation between Prime Minister Shri Narendra Modi and H.E. Emmanuel Macron, President of France

December 07, 2020

## প্ৰধানমন্ত্ৰী আৰু ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰৰ মাজত টেলিফোনিক বাৰ্তালাপ

**ডিচেম্বৰ 07, 2020**

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদী আজি ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰৰ সৈতে টেলিফোনত কথা পাতে৷

ফ্ৰান্সত সন্ত্ৰাসবাদীৰ আক্ৰমণত প্ৰাণহানি হোৱাসকলৰ প্ৰতি প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰপতি মেক্ৰক তেওঁৰ সমবেদনা জনাই প্ৰধানমন্ত্ৰী মোদীয়ে সন্ত্ৰাসবাদ, চৰমপন্থা আৰু মৌলবাদৰ বিৰুদ্ধে ফ্ৰান্সৰ যুঁজত ভাৰতে পূৰ্ণ সমৰ্থনৰ আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি দিয়ে৷

দুয়োগৰাকী নেতাই পাৰস্পৰিক স্বাৰ্থজড়িত দ্বিপাক্ষিক, আঞ্চলিক আৰু আন্ঃৰাষ্ট্ৰীয় বিভিন্ন বিষয়ক লৈ আলোচনা কৰে৷ ইয়াৰ ভিতৰত কম মূল্যৰ তথা সুলভ ক'ভিড-১৯ প্ৰতিষেধকৰ উদ্ভাৱন, ক'ভিডৰ পাছৰ সময়ত অৰ্থনীতিৰ পুনৰুদ্ধাৰ, ভাৰত প্ৰশান্ত মহাসাগৰীয় অঞ্চলত সহযোগিতা, সামুদ্ৰিক বাণিজ্যৰ নিৰাপত্তা, প্ৰতিৰক্ষা সহযোগিতা, ডিজিটেল অৰ্থনীতি, চাইবাৰ নিৰাপত্তা, বহুপাক্ষিক সহযোগিতা বৃদ্ধি, জলবায়ু পৰিৱৰ্তন ৰোধত পাৰস্পৰিক সহযোগিতা আৰু জৈৱ বৈচিত্ৰ্য ৰক্ষা ইত্যাদি উল্লেখযোগ্য।

দুয়োগৰাকী নেতাই আলোচনাত সন্তোষ প্ৰকাশ কৰে৷ সম্প্ৰতি ভাৰত-ফ্ৰান্সৰ মাজত দৃঢ় কৌশলগত অংশীদাৰিত্বৰ পৰিৱেশ, তেওঁলোকে ক'ভিডৰ পাছৰ সময়ত একেলগে কাম কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে৷

প্ৰধানমন্ত্ৰীয়ে জনস্বাস্থ্য সম্পৰ্কীয় পৰিস্থিতি স্বাভাৱিক হ'লে ৰাষ্ট্ৰপতি মেক্ৰক ভাৰতলৈ অহাৰ বাবে আমন্ত্ৰণ জনায়৷

**নতুন দিল্লী**
**ডিচেম্বৰ 07, 2020**

**DISCLAIMER: This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.**